# অসম জাতীয় বিদ্যালয়ত আন্তৰ্জাতিক মাতৃভাষা দিৱসৰ আয়োজন

**গুৱাহাটী, ১ ফেব্ৰুৱাৰি, ২০১৮** : নিজা ভাষা তথা সংস্কৃতিৰ প্ৰতি জনসজাগতা সৃষ্টি তথা বহুভাষাবাদৰ প্ৰসাৰৰ উদ্দেশ্যে বিশ্বজুৰি পালন কৰি অহা আন্তৰ্জাতিক মাতৃভাষা দিৱস অহা ২১ ফেব্ৰুৱাৰি তাৰিখে অসম জাতীয় বিদ্যালয় (নুনমাটি)তো পালন কৰা হ'ব। বিদ্যালয়খনৰ ৰূপালী জয়ন্তী বৰ্ষৰ অন্যতম কাৰ্যসূচী হিচাপে আয়োজন কৰা এই দিৱসত বক্তৃতা প্ৰদান কৰিব গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা বিশিষ্ট লেখক, সাহিত্য সমালোচক ড° হীৰেন গোহাঁইদেৱে। সেইদিনা বিয়লি ৫ বজাৰ পৰা বিদ্যালয় প্ৰাংগণত এই কাৰ্যসূচী অনুষ্ঠিত হ'ব।

অসম জাতীয় বিদ্যালয়ৰ ৰূপালী জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি অসমৰ বিভিন্ন জিলাত ইতিমধ্যে গঠিত হোৱা জাতীয় বিদ্যালয়সমূহৰ জিলা সমন্বয়ৰক্ষী সমিতিসমূহকো আন্তৰ্জাতিক মাতৃভাষা দিৱস উদ্‌যাপন কৰিবলৈ অসম জাতীয় বিদ্যালয় কৰ্তৃপক্ষই আহ্বান জনাইছে।

(ঘনশ্যাম মেধি)
অসম জাতীয় বিদ্যালয়
নুনমাটি, গুৱাহাটী-৭৮১০২০
ফ'ন : ৯৭০৬০২৫১৬৭

**International Mother Language Day to be observed at Assam Jatiya Bidyalay**

**Guwahati, 01 February, 2018 :** With a view to creating awareness of linguistic and cultural diversity and promote multilingualism, Assam Jatiya Bidyalay, Guwahati is also going to observe this International Mother Language Day on 21st February, 2018 at its school campus. The main programme is set to begin from 5 pm onwards and Dr. Hiren Gohain, Professor (Retd.) Dept. of English, G. U., eminent scholar, literary critic and social scientist will deliver his keynote speech. This programme is organised by the school as part of its Silver Jubilee Celebration programme. Various Jatiya Bidyalays all over Assam and their district co-ordinating committees for Silver Jubilee Celebration have been requested to observe this International Mother Language Day.

(Ghanashyam Medhi)
Principal
Assam Jatiya Bidyalay
Noonmati, Guwahati